**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-09-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাৰিকৰী শিল্পীসকলক পি এম বিশ্বকৰ্মা আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰি উদ্যোগী আৰু ব্যৱসায়ী হ'বলৈ আহ্বান জনাইছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ঝাৰখণ্ডৰ চাহেবগঞ্জ জিলাৰ চাওতাল পৰগণা খণ্ডৰ ভোগনাদীহত ঝাৰখণ্ড বিজেপিৰ পৰিৱৰ্তন যাত্ৰাৰ শুভাৰম্ভ কৰে।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি কেন্দ্ৰীয়শাসিত অঞ্চল দাদ্ৰা আৰু নগৰ হাভেলী, দমন আৰু ডিউত উপস্থিত হৈছে।

৪। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি দৃঢ়তাৰে কয় যে এন ডি এ চৰকাৰে দেশলৈ কাৰ্যক্ষমতা আৰু দায়বদ্ধতা অনাৰ লগতে সম্পূৰ্ণ লক্ষ্যত উপনীত হৈছে।

আৰু

৫। বাংগালুৰুত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ দ্বিতীয় দিনাৰ দ্বিতীয় ইনিংছৰ অন্তত ভাৰত ৩০৮ ৰানত আগবাঢ়ি আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাৰিকৰী শিল্পীসকলক পি এম বিশ্বকৰ্মা আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰি উদ্যোগী আৰু ব্যৱসায়ী হ'বলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰীয়ে ৱাৰ্ধাৰ স্বাৱলম্বী গ্ৰাউণ্ডত আয়োজিত পি এম বিশ্বকৰ্মা আঁচনিৰ বাৰ্ষিকী উপলক্ষে আয়োজিত অনুষ্ঠান সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে কাৰিকৰী শিল্পীসকলৰ পৰম্পৰাগত বৃত্তিত তেওঁলোকৰ উৎপাদনশীলতা বৃদ্ধিৰ বাবে ৬ লাখ ৫০ হাজাৰতকৈও অধিক হিতাধিকাৰীক আধুনিক সা-সঁজুলিৰ সুবিধা প্ৰদান কৰা হৈছে। তেওঁ লগতে হিতাধিকাৰীসকলক ৩ লাখ ঋণৰ সুবিধা প্ৰদান কৰাৰ কথা অৱগত কৰে। বিগত বৰ্ষত হিতাধিকাৰীসকলৰ মাজত ১৪ শ কোটি টকাৰ ঋণ বিতৰণ কৰা হয়। তেওঁ কয় যে হিতাধিকাৰীসকল বেছিভাগেই অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোক। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি মহাৰাষ্ট্ৰ চৰকাৰৰ দুখন আঁচনি মুকলি কৰে। অনুষ্ঠানত শ্ৰী মোদীয়ে পশ্চিম বিদৰ্ভৰ অমৰাৱতী জিলাত পি এম মিত্ৰ বস্ত্ৰ উদ্যানৰ আধাৰশিলা স্থাপন কৰে। এই উদ্যানখন এহেজাৰ হেক্টৰ মাটিকালিত স্থাপন কৰা হ'ব। এই আঁচনিৰ ফলত ১ লাখ কৰ্ম সংস্থাপনৰ সুবিধা সৃষ্টি কৰিব পৰা যাব বুলি আশা কৰাৰ লগতে ১০ হাজাৰ কোটিৰো অধিক টকাৰ বিনিয়োগ কৰিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হৈছে। পি এম বিশ্বকৰ্মা আঁচনিৰ বাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰী মোদীয়ে এটা স্মাৰক ডাকটিকট উন্মোচন কৰে। শ্ৰী মোদীয়ে লগতে ১ লাখৰো অধিক পি এম বিশ্বকৰ্মা আঁচনিৰ হিতাধিকাৰী ডিজিটেল আই ডি কাৰ্ড আৰু ডিজিটেল দক্ষতা প্ৰমাণপত্ৰ মুকলি কৰে। ইয়াৰ উপৰি শ্ৰী মোদীয়ে ৭৫ হাজাৰ হিতাধিকাৰীৰ সৈতে ডিজিটেল ঋণ অনুমোদন পত্ৰ মুকলি কৰে। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে পি এম বিশ্বকৰ্মা আঁচনিৰ ১৮ গৰাকী হিতাধিকাৰীক চেকযোগে ঋণ প্ৰদান কৰে। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে লগতে হস্ত শিল্পীসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ঝাৰখণ্ডৰ চাহেবগঞ্জ জিলাৰ চাওতাল পৰগণা খণ্ডৰ ভোগনাদীহত ঝাৰখণ্ড বিজেপিৰ পৰিৱৰ্তন যাত্ৰাৰ শুভাৰম্ভ কৰে। পুলিচ লাইন গ্ৰাউণ্ডত আয়োজিত এখন জনসভাক সম্বোধন কৰি শ্ৰী শ্বাহে কয়

যে পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ অভিযান আৰম্ভ কৰা হৈছে। শ্ৰী শ্বাহে আশ্বাস প্ৰদান কৰি কয় যে যদি ৰাজ্যখনত বিজেপি ক্ষমতালৈ আহে তেতিয়া জ্যেষ্ঠ নাগৰিক তথা ৭৫ বছৰৰ ঊৰ্ধৰ নাগৰিকসকলক ১০ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সাহায্য প্ৰদান কৰা হ'ব। বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ ফলত ৰাজ্যখনৰ চাওতাল অধ্যুষিত অঞ্চলৰ জনগাঁথনি পৰিৱৰ্তন হৈছে বুলি তেওঁ লগতে অভিযোগ উত্থাপন কৰে। গিৰিডিত আয়োজিত আন এখন সমাৱেশত শ্ৰী শ্বাহে ভোটবেংকৰ বাবে অনুপ্ৰৱেশকাৰীসকলক সুৰক্ষা দিছে বুলি ঝাৰখণ্ড চৰকাৰক সমালোচনা কৰে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি কেন্দ্ৰীয়শাসিত অঞ্চল দাদ্ৰা আৰু নগৰ হাভেলী, দমন আৰু ডিউত উপস্থিত হৈছে। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ এয়া প্ৰথম কেন্দ্ৰীয় শাসিত অঞ্চল ভ্ৰমণ। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰী ধনখড়ে দমনৰ জামপ'ৰত এটা পক্ষী গৃহ মুকলি কৰে। তেওঁ লগতে জামপ্ৰিনৰ এটা স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰে। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত কাইলৈ তেওঁ দাদ্ৰা আৰু নগৰ হাভেলীৰ ছিলভাছাত নমো চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান ভ্ৰমণ কৰিব। তেওঁ লগতে প্ৰতিষ্ঠানটোৰ ছাত্ৰ-ছাত্ৰী আৰু ফেকাল্টীসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ উপৰি ছিলভাছাৰ পশ্চিম মণ্ডল সাংস্কৃতিক কেন্দ্ৰত এটা ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বিয়লিৰ ভাগত তেওঁ ডিউৰ পৌৰসভাৰ আৰু স্থানীয় নিকায়সমূহৰ প্ৰতিনিধিসকলৰ সৈতে মিলিত হ'ব।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি দৃঢ়তাৰে কয় যে এন ডি এ চৰকাৰে দেশলৈ কাৰ্যক্ষমতা আৰু দায়বদ্ধতা অনাৰ লগতে সম্পূৰ্ণ লক্ষ্যত উপনীত হৈছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত মন্ত্ৰালয়ৰ সফলতাৰ বিষয়ে অৱগত কৰি শ্ৰী নাড্ডাই কয় যে চৰকাৰে আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা সম্প্ৰসাৰণৰ বাবে এটা উল্লেখযোগ্য সিদ্ধান্ত গ্ৰহণ কৰিছে। এই আঁচনি যোগে ৭০ বছৰৰ ঊৰ্ধৰ সকলো নাগৰিককে বিনামূলীয়া স্বাস্থ্য বীমাৰ অধীনত ৫ লাখ টকালৈকে বীমা প্ৰদান কৰা হ'ব। এই আঁচনিৰ অধীনত মুঠ ৬ কোটি জ্যেষ্ঠ নাগৰিক উপকৃত হ'ব। শ্ৰী নাড্ডাই টীকাকৰণ সেৱাৰ ডিজিটেলাইজেচনৰ বাবে বিকশিত কৰা ইউ উইন পৰ্টেলৰ বিষয়ে উল্লেখ কৰি কয় যে ইয়াৰ দ্বাৰা গৰ্ভৱতী মহিলা আৰু শিশুৰ জন্মৰ পৰা ১৭ বছৰলৈকে সম্পূৰ্ণ টীকাকৰণ কৰোৱা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূল কাৰ্যসূচীৰ অধীনত এতিয়া চমু আৰু অধিক ফলপ্ৰসূ চিকিৎসা পদ্ধতি উপলভ্য হৈছে, যাৰ ফলত চিকিৎসা সময় ছমাহলৈ হ্ৰাস পাইছে। দুৰ্যোগ বা স্বাস্থ্যৰ জৰুৰীকালীন অৱস্থাৰ বিষয়ে উল্লেখ কৰি শ্ৰী নাড্ডাই প'ৰ্টেবল মডিউলৰ সুবিধাসমূহৰ বিষয়ে উল্লেখ কৰি কয় যে এই সুবিধাসমূহ জৰুৰীকালীন অৱস্থাত জীৱন ৰক্ষাকাৰী সেৱা প্ৰদান কৰিবলৈ যুগুতোৱা হৈছে। এই অনুষ্ঠানত স্বাস্থ্য বিভাগৰ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেল আৰু প্ৰতাপ ৰাও যাদৱসহ মন্ত্ৰালয়ৰ আন আন জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত **মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসম বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী আৰু সাংবাদিক সঞ্জীৱ কলিতা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০০

ৰাজ্যত বৰ্ধিত তাপমাত্ৰা তথা উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কামৰূপ মহানগৰ জিলাৰ সকলো ব্যক্তিগত, চৰকাৰী তথা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিদ্যালয়লৈ পাঠদানৰ সময়সূচীৰ সালসলনিৰ নিৰ্দেশ দিছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ শ্ৰেণীসমূহ পুৱা চাৰে সাত বজাৰ পৰা আৰম্ভ কৰিবলৈ অনুমতি দিয়া হোৱাৰ লগতে দিনৰ চাৰে ১২ বজাত বিদ্যালয় ছুটী দিবলৈ কোৱা হৈছে। তদুপৰি সকলো শিক্ষানুষ্ঠানকে ৰাতিপুৱাৰ প্ৰাৰ্থনাসভা

শ্ৰেণীকোঠাৰ ভিতৰত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদ্যালয়ৰ প্ৰাংগনত উপযুক্ত খোৱাপানীৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

শোণিতপুৰ জিলাৰো বিদ্যালয়সমূহৰ সময়সূচী সলনি কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ে আজি নিৰ্দেশ জাৰি কৰে। এই নিৰ্দেশনা অনুসৰি নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে সাত বজাৰ পৰা দিনৰ ১২ বজালৈ অনুষ্ঠিত কৰিবলৈ কোৱা হৈছে। আনহাতে মাধ্যমিক তথা উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শ্ৰেণীসমূহ একে সময়তে আৰম্ভ হৈ দিনৰ চাৰে ১২ বজাত শেষ হ'ব। ইপিনে উচ্চ মাধ্যমিক বিদ্যালয়সমূহৰ পাঠদান এক বজাত শেষ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ দ্বিতীয় দিনাৰ দ্বিতীয় ইনিংছৰ অন্তত ভাৰত ৩০৮ ৰাণত আগবাঢ়ি আছে।

ভাৰতে আজি দ্বিতীয় দিনা কালি প্ৰথম ইনিংছৰ ৩৩৯ ৰাণৰ পৰা খেল আৰম্ভ কৰি আটাইকেইটা উইকেট হেৰুৱাই ৩৭৬ ৰান সংগ্ৰহ কৰে। বাংলাদেশে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৪৯ ৰাণ সংগ্ৰহ কৰে। ভাৰতে আজি দ্বিতীয় ইনিংছত ৩ টা উইকেট হেৰুৱাই ৮১ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ শুভমন গীলে সৰ্বাধিক ৩৩ ৰাণ আৰু ৰিষভ পণ্টে ১২ ৰাণ কৰি অপৰাজিত হৈ আছে।

০০০০০০০০

**সমাপ্ত**